**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-12-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

***:::::::::::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন আজি নতুন দিল্লীৰ হায়দৰাবাদ হাউছত বৈঠকত মিলিত হয়।

২। ত্ৰয়োবিংশ ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত অংশ লোৱাৰ সুযোগতে কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে ৰাছিয়াৰ কৃষিমন্ত্ৰী অক্সনা লুটৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীত অহা ৯ ডিচেম্বৰত কুশলী কাৰিকৰসকলক হস্তশিল্প বঁটা প্ৰদান কৰিব।

৪। ইণ্ডিগোৰ বিমান সেৱাৰ শেহতীয়া বেমেজালিৰ পৰিপ্ৰেক্ষিতত অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰামমোহন নাইডুৰ সৈতে অসামৰিক বিমান পৰিবহন সঞ্চালকালয়ৰ এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল কাইলৈ বিশাখাপট্টনমত অনুষ্ঠিত হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন আজি নতুন দিল্লীৰ হায়দৰাবাদ হাউছত বৈঠকত মিলিত হয়। দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভত আলোচনা কৰে। এই আলোচনাকালত বাণিজ্য, অৰ্থনীতি, স্বাস্থ্য যতন, শিক্ষা, সংস্কৃতিকে ধৰি বিভিন্ন খণ্ডত কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ হয়।

দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সন্ধিয়া নতুন দিল্লীৰ বিমান বন্দৰত আদৰণি জনায়। আজি পুৱা ৰাষ্ট্ৰপতি ভৱনত পুটিনক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পাছত তেওঁ ৰাজঘাটত মহাত্মা গান্ধীৰ সমাধিস্থলীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আজি সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে ভোজমেলৰ আয়োজন কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি ২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ বিশেষ আৰু কৌশলগত অংশীদাৰিত্বক শক্তিশালী কৰাৰ লগতে দুয়োগৰাকী নেতাক দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতিৰ সন্দৰ্ভত পৰ্যালোচনাৰ সুযোগ প্ৰদান কৰিব।

ৰাষ্ট্ৰসংঘ, জি-২০, ব্ৰিকছ্ আৰু ছাংহাই সহযোগিতা সংস্থা আদিৰ দৰে কেইবাটাও বহুপাক্ষিক মঞ্চত ভাৰত আৰু ৰাছিয়াই সহযোগিতা স্থাপন কৰে। ২০২৩ চনত জি-২০ আৰু ছাংহাই সহযোগিতা সংস্থাক ভাৰতক সভাপতিত্ব তথা ২০২৪ বৰ্ষত ব্ৰিকছত ৰাছিয়াৰ সভাপতিত্বই দুয়োখন দেশৰ মাজত থকা পাৰস্পৰিক সমৰ্থনৰ জৰিয়তে এই সহযোগিতা অধিক শক্তিশালী হৈ উঠিছে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য পদৰ বাবে ভাৰতৰ প্ৰাৰ্থিত্বৰ প্ৰতি ৰাছিয়াই ধাৰাবাহিকভাৱে সমৰ্থন আগবঢ়াই আহিছে। বিগত ৭৮ বছৰত দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় আৰু সুস্থিৰ হৈ আছে। পৰম্পৰাগত সামৰিক, পাৰমাণৱিক আৰু মহাকাশ সহযোগিতাৰ উপৰিও বিভিন্ন খণ্ডত দুয়োখন দেশৰ মাজত শক্তিশালী সহযোগিতা অব্যাহত আছে।

০০০০

নতুন দিল্লীত অনুষ্ঠিত ত্ৰয়োবিংশ ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত কালি কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ উৎপাদন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে ৰাচিয়াৰ কৃষিমন্ত্ৰী অক্সনা লুটৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। এই বৈঠকৰ সময়ছোৱাত মন্ত্ৰীগৰাকীয়ে দুয়োদেশৰ মাজত মীন, পশুপালন আৰু দুগ্ধ উৎপাদনৰ ক্ষেত্ৰত পাৰস্পৰিক বাণিজ্য সন্দৰ্ভত আলোচনা কৰাৰ লগতে উৎপাদিত সামগ্ৰীৰ বিক্ৰীৰ বাবে বজাৰ আদি ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে। এই বৈঠকত গৱেষণা, শিক্ষা, প্ৰযুক্তি, গভীৰ সাগৰত মাছ ধৰা জাহাজ আদি সন্দৰ্ভতো আলোচনা অনুষ্ঠিত হয়। উল্লেখযোগ্য যে ভাৰতে ২০২৪-২৫ বৰ্ষত প্ৰায় ৭ বিলিয়ন ইউ এছ ডলাৰ মূল্যৰ মীন আৰু মৎস্যজাত সামগ্ৰী ৰপ্তানী কৰে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীত অহা ৯ ডিচেম্বৰত কুশলী কাৰিকৰসকলক হস্তশিল্প বঁটা প্ৰদান কৰিব। অনুষ্ঠানত কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং আৰু ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থাকিব। বস্ত্ৰ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে হস্তশিল্পৰ কাৰিকৰসকলৰ অসামান্য প্ৰতিভাক স্বীকৃতি দিয়াৰ হকে এই বঁটা প্ৰদান কৰা হ'ব। ইয়াৰ জৰিয়তে দেশৰ বৰ্ণাঢ্য হস্তশিল্পৰ ঐতিহ্যক সংৰক্ষণ আৰু প্ৰসাৰৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক পুনৰ নিশ্চিত কৰা হ'ব। ৰাষ্ট্ৰীয় হস্তশিল্প সপ্তাহ উদযাপনৰ অংশ হিচাপে এই বঁটা প্ৰদান কৰা হ'ব। ভাৰতীয় কাৰিকৰসকলৰ প্ৰতি সন্মান জনাই হস্তশিল্পৰ সাংস্কৃতিক ঐতিহ্যক উদযাপন কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে ৮ ডিচেম্বৰৰ পৰা ৰাষ্ট্ৰীয় হস্তশিল্প সপ্তাহ পালন কৰা হয়।

০০০০

যোৱা মাহৰ শেষৰ পৰা ইণ্ডিগোৰ বিমান সেৱাৰ বেমেজালিৰ পৰিপ্ৰেক্ষিতত আজি অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰামমোহন নাইডুৰ সৈতে অসামৰিক বিমান পৰিবহন সঞ্চালকালয়ৰ এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে ইণ্ডিগো বিমানৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

বৈঠকৰ সময়ছোৱাত মন্ত্ৰীগৰাকীয়ে বিমান পৰিবহন সংস্থাটোক বিমান পৰিবহন পৰিচালনাৰ ক্ষেত্ৰত সমালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে বিমান সংস্থাটোক অনতিপলমে কাম-কাজ স্বাভাৱিক কৰাৰ লগতে সাম্প্ৰতিক পৰিস্থিতিৰ বাবে যাত্ৰীৰ পৰা যাতে অধিক বিমান ভাড়া আদায় কৰা নহয় তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে।

মন্ত্ৰীগৰাকীয়ে বিমান সংস্থাটোক যিকোনো বিমান বাতিলৰ ক্ষেত্ৰত যাত্ৰীসকলক আগতীয়াকৈ জনোৱাৰ উপৰিও যাত্ৰীসকলৰ বাবে হোটেলৰ ব্যৱস্থাৰ লগতে প্ৰয়োজনীয় সকলো সুবিধা আগবঢ়াবলৈ নিৰ্দেশ দিয়ে।

বিমানৰ বাতিল মূলতঃ ক্ৰু পৰিকল্পনা সমস্যা, সংশোধিত বিমানৰ উৰণৰ সময় নিৰ্ধাৰণৰ সীমাবদ্ধতা তথা শীতকালীন প্ৰত্যাহ্বানসমূহৰ বাবে সৃষ্টি হয় বুলি ডিজিচিয়ে এটা বিবৃতিত প্ৰকাশ কৰিছে। জিডিচিয়ে জনোৱা মতে ইণ্ডিগো বিমানৰ দ্বিতীয় পৰ্যায়ৰ এফ ডি টি এলৰ নিয়মানুসাৰে প্ৰয়োজনীয় বিমান ক্ৰু কম আছিল বুলি অনুমান কৰাৰ ফলত পুনৰ বিমান উৰণৰ সময় পৰিকল্পনা কৰাৰ ক্ষেত্ৰত জটিলতাই দেখা দিয়ে।

বিমান সংস্থাটোৱে লগতে কয়, যে সমাগত কেইবাটাও দিনৰ বাবে বিমানৰ বাতিল অব্যাহত থাকিব পাৰে। কিয়নো সংস্থাটোৱে  নতুন সময়সূচী প্ৰৱৰ্তনৰ বাবে কাম কৰি আছে আৰু যাত্ৰীসকলৰ অসুবিধা লাঘৱ কৰিবলৈ অহা ৮ ডিচেম্বৰৰ পৰা বিমানসেৱা হ্ৰাস কৰিব। ডিজিচিয়ে লগতে ইণ্ডিগোৰ ক্ৰুৰ প্ৰয়োজনীয়তাৰ পৰিসংখ্যাও পৰ্যালোচনা কৰে। এই নতুন নীতিৰ অধীনত প্ৰয়োজনীয় আৰু উপলব্ধ হোৱা ক্ৰুৰ মাজত বৃহৎ ব্যৱধান লক্ষ্য কৰে। বিশেষকৈ নিশাৰ ভাগত ক্ৰুৰ সংখ্যা যথেষ্ট কম। বিমান পৰিবহন পৰিদৰ্শন সংস্থাই ইয়াৰ আঞ্চলিক কাৰ্যালয়সমূহক ক্ৰু নিযুক্তি, প্ৰশিক্ষণ আৰু সুৰক্ষা পৰিকল্পনাৰ বাবে বিস্তৃত ৰূপৰেখা প্ৰস্তুত কৰিবলৈ ইয়াৰ আঞ্চলিক কাৰ্যালয়সমূহক নিৰ্দেশ দিছে।

০০০০

ৰাজ্যসভাত আজি বিৰোধী পক্ষৰ সদস্যসকলে দেশৰ গুৰুত্বপূৰ্ণ বিমানবন্দৰসমূহত ইন্দিগ'ৰ বিমানসেৱা বাতিল সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে। কংগ্ৰেছৰ সাংসদ প্ৰমোদ তিৱাৰীয়ে এই সম্পৰ্কত উত্থাপন কৰা এটা প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৱে এই ব্যক্তিগত বিমানসেৱাৰ বিষয়টো গুৰুত্ব সহকাৰে লৈছে। ইপিনে, ৰাজ্যসভাৰ প্ৰশ্নকালত ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ৰে'ললাইনৰ নিৰ্মাণকাৰ্য, সুৰক্ষা আদি সন্দৰ্ভত কেইবাগৰাকীও সদস্যই উত্থাপন কৰা প্ৰশ্নৰ উত্তৰ দিয়ে। অসমৰ কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়ে অসমত এতিয়াও জলজীৱন অভিযান সঠিকভাৱে ৰূপায়ণ হোৱা নাই বুলি উল্লেখ কৰি ৰাজ্যখনৰ বাবে পুঁজি মুকলি কৰি দিব নোৱাৰা এনে দ্বৈত ইঞ্জিনৰ চৰকাৰৰ স্থিতি সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি দেশৰ কেইবাখনো ৰাজ্যত শীতপ্ৰবাহৰ পূৰ্বাভাস প্ৰকাশ কৰে। সেই অনুসৰি পাঞ্জাব, হাৰিয়ানা, পূৱ ৰাজস্থান আৰু ঝাৰখণ্ডত শীতৰ প্ৰভাৱ পৰিব। বতৰ বিজ্ঞান বিভাগে হিমাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু ওড়িশাৰ বিভিন্ন অঞ্চলত কুঁৱলি পৰাৰ সম্ভাৱনা ব্যক্ত কৰিছে। ইয়াৰোপৰি তামিলনাডু, পুডুচেৰী আৰু কাৰাইকলৰ বিভিন্ন অঞ্চলত বৰষুণ আৰু বজ্ৰপাতৰ আগলি বতৰা প্ৰকাশ কৰিছে।

ইপিনে, আজি পুৱাৰ ভাগত দিল্লী এন চি আৰৰ বায়ুৰ গুণগত মান অতি নিম্নমানৰ হোৱা বুলি পঞ্জীয়ন কৰা হৈছে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডৰ তথ্য অনুসৰি পুৱা সাত বজালৈ অঞ্চলটোত  গড় বায়ু গুণগত সূচাংক হৈছে ৩২৫।

০০০০

মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ' আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীয়ে মিজোৰামৰ আইজলৰ সমীপত অভিযান চলাই যোৱা বুধবাৰে প্ৰায় ৬ কেজি মেথামফেটামাইনৰ লগতে ৮ জন সৰবৰাহকাৰীক আটক কৰে। ইয়াৰে জবৰুল হক নামৰ কৰিমগঞ্জৰ নিবাসীজন এই মাদকদ্ৰব্য সৰবৰাহ চক্ৰৰ মূল অভিযুক্ত বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। এই লোকজনৰ বিৰুদ্ধে তিনিটা গোচৰ ইতিমধ্যে ৰুজু হৈ আছে বুলি আৰক্ষীয়ে

জনাইছে। প্ৰাৰম্ভিক তদন্ত অনুসৰি মাদকদ্ৰব্যখিনি চম্ফাইৰ সমীপৰ ভাৰত-ম্যানমাৰ সীমান্তয়েদি সোণামূৰালৈ লৈ যোৱা হৈছিল। উল্লেখযোগ্য যে ৰাজ্যিক কৰ্তৃপক্ষৰ সৈতে উন্নত সহযোগিতা তথা গুৰুত্বপূৰ্ণ অভিযানৰ পৰিপ্ৰেক্ষিতত মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ'ই গুৱাহাটীত এটা নতুন আঞ্চলিক কাৰ্যালয় স্থাপন কৰিছে। ইটানগৰ, শিলিগুৰি আৰু আগৰতলাতো একোটাকৈ নতুন মাণ্ডলিক কাৰ্যালয় স্থাপন কৰা হৈছে। তদুপৰি আইজল আৰু ডিমাপুৰত ক্ষেত্ৰ বিষয়াৰ কাৰ্যালয় স্থাপন কৰা হৈছে।

০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল কাইলৈ বিশাখাপট্টনমত অনুষ্ঠিত হ'ব। খেলখন দিনৰ এক বাজি ৩০ মিনিটত আৰম্ভ হ'ব। দুয়োটা দলে ইতিমধ্যে শৃংখলাটোত ১-১ৰ সমতা স্থাপন কৰিছে। দুয়োটা দলে কাইলৈ শৃংখলাটো দখলৰ বাবে আপ্ৰাণ চেষ্টা চলাব।

০০০০

সমাপ্ত